समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ পাঠ্যপুথি

ভূগোল

পাঠ - ৪

অসমৰ ভূগোল

অংশ – ১

শ্ৰাৱণী দেৱী



অসমৰ অৱস্থান

- উত্তৰ-পূব অঞ্চলত অৱস্থিত অসম ভাৰতৰ এখন ৰাজ্য।
- এই ৰাজ্যৰ সীমাত ভাৰতৰ ৭ খন ৰাজ্য আৰু ২ খন বিদেশী দেশ- ভূটান আৰু বাংলাদেশ।
- অসমৰ উত্তৰ দিশত ভূটান আৰু অৰুণাচল প্ৰদেশ;

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- পূবে অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মণিপুৰ;
- মিজোৰাম আৰু মেঘালয় দক্ষিণে;
- পশ্চিমে ত্ৰিপুৰা, বাংলাদেশ আৰু পশ্চিম বংগ।

ভৌগোলিকভাৱে ৰাজ্যখনৰ বিস্তৃতি —

- ২৪°০৯′ উত্তৰ অক্ষাংশৰ পৰা ২৭°৫৮′ উত্তৰ অক্ষাংশলৈ
- ৮৯°৪২′পূব দ্ৰাঘিমাংশৰ পৰা ৯৬°০১'পূব দ্ৰাঘিমাংশলৈ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- অসমৰ সীমান্তৰ অধিকাংশ অঞ্চল পাহাৰীয়া।
- পশ্চিম বংগৰ সীমান্ত আৰু বৰাক উপত্যকাৰ বাংলাদেশ সীমান্তৰ বাহিৰে ৰাজ্যখনৰ বাকী সকলো সীমান্ত অঞ্চল পাহাৰীয়া।
- চাৰিওফালৰ এই পাহাৰৰ পৰা নদী আৰু জান-জুৰিবোৰ নামি আহি ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ লগত মিলি গৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ৰাজ্যখনৰ ভৌগোলিক অৱস্থানৰ জনসংখ্যাৰ গঠনৰ লগতো কিছু প্ৰাসংগিকতা আছে।
- অসমকে ধৰি উত্তৰ-পূব অঞ্চলে দক্ষিণ এছিয়া আৰু দক্ষিণ-পূব এছিয়াৰ মাজত মধ্যম স্থান দখল কৰিছে।
- সেয়েহে ইতিহাসৰ বিভিন্ন পর্যায়ত পূব আৰু পশ্চিমৰ পৰা এই অঞ্চললৈ মানুহৰ প্ৰব্ৰজন ঘটিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ইয়াৰ ফলত ৰাজ্যখনৰ জন-গাঁথনি বহু পৰিমাণে বৈচিত্র্যময় হৈ পৰিছে।
- জন-গাঁথনিৰ সংমিশ্রণ ভাষা, ধর্ম, পৰম্পৰা আদি সাংস্কৃতিক উপাদানসমূহতো প্রতিফলিত হয়।
- অসমৰ ব্রহ্মপুত্র উপত্যকা সমগ্র উত্তৰ-পূব ভাৰতৰ প্রৱেশদ্বাৰ স্বৰূপ।

- অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মেঘালয়, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰালৈ স্থলপথেৰে যাব লাগিলে অসমৰ মাজেৰেই যাব লাগিব।
- ব্ৰহ্মপুত্ৰ উপত্যকাত অৱস্থিত গুৱাহাটী চহৰখনক উত্তৰ-পূবৰ দুৱাৰমুখ হিচাপেও গণ্য কৰা হয়।
- অঞ্চলটোৰ ৰাজ্যসমূহৰ আটাইকেইখন ৰাজধানী চহৰ স্থল আৰু বিমান পথৰ জৰিয়তে গুৱাহাটীৰ সৈতে সংযুক্ত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- উজনি অসমৰ ডিব্রুগড়ৰ পৰা আৰম্ভ কৰি ব্রহ্মপুত্রৰ পাৰৰ আটাইকেইখন চহৰ জলপথেৰে বাংলাদেশৰ সৈতে সংযুক্ত হৈ আছে।
- তদুপৰি শেহতীয়াকৈ ভাৰত চৰকাৰে পূব দিশৰ কিছুমান দেশক স্থল পথৰ সৈতে সংযোগ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- যদি বাস্তৱায়িত হয়, তেন্তে ই অসমকে ধৰি উত্তৰ-পূব অঞ্চলৰ বেপাৰ-বাণিজ্য গুৰুত্ব বৃদ্ধি হ'ব।



ভূ-প্রকৃতি

- অসমৰ ভূতাত্ত্বিক গঠন আৰু বিন্যাসৰ ভিত্তিত অসমৰ ভূ-প্রকৃতি গঢ় লৈ উঠিছে।
- অর্থাৎ, বহু দিন ধৰি ভূতত্বকৰ মূল ভেটিটোৰ ওপৰত যুগ যুগ ধৰি ক্রিয়া কৰা বাহ্যিক কাৰক (উষ্ণতা, চাপ, বতাহ, বৰষুণ, নদী আদি) আৰু পৃথিৱীৰ আভ্যন্তৰীণ কাৰকৰ ক্রিয়া আৰু পাৰস্পৰিক ক্রিয়াৰ দ্বাৰা ৰাজ্যৰ বর্তমানৰ ভূ-প্রকৃতি গঢ় লৈ উঠিছে।

- অসমৰ ভূ-প্ৰকৃতি প্ৰধানকৈ চাৰিটা ভাগত ভগাব পাৰি —
  - ব্ৰহ্মপুত্ৰ উপত্যকা
  - বৰাক উপত্যকা
  - কাৰ্বি মালভূমি
  - বৰাইল আৰু দক্ষিণৰ পৰ্বতৰাশি



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ক) ব্ৰহ্মপুত্ৰ উপত্যকা

- ব্ৰহ্মপুত্ৰ উপত্যকা অসমৰ এটা প্ৰধান ভূ-প্ৰাকৃতিক অঞ্চল।
- এই উপত্যকাটো দীঘল আৰু সংকীৰ্ণ।
- ইয়াৰ দৈর্ঘ্য প্ৰায় ৭২০ কিলোমিটাৰ। দীঘল আৰু প্ৰায় ৮০ কিলোমিটাৰ বহল।
- ইয়াৰ তিনিও দিশে (উত্তৰ, পূব আৰু দক্ষিণ) পাহাৰ আৰু মালভূমিৰে আবৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ইয়াৰ উত্তৰ আৰু পূব দিশত পূব হিমালয় অৱস্থিত।
- দক্ষিণে নগা পাহাৰ, কাৰ্বি আৰু মেঘালয় মালভূমি।
- পশ্চিম দিশত এই উপত্যকা, পশ্চিম বংগ আৰু বাংলাদেশৰ সমভূমিৰ সৈতে মিলি গৈছে।
- ব্ৰহ্মপুত্ৰৰ দৈর্ঘ্য ৬৪০ কিলোমিটাৰ। ইয়াৰ উত্তৰ আৰু দক্ষিণ পাৰৰ বৃহৎ সংখ্যক উপনৈয়ে এই উপত্যকাটো আৱৰি আছে।

- অসমৰ মুঠ মাটিকালিৰ প্ৰায় ৭২% ব্ৰহ্মপুত্ৰ উপত্যকা সামৰি লৈছে।
- উপত্যকাটো সাধাৰণতে উত্তৰ-পূবৰ পৰা দক্ষিণ-পশ্চিমলৈ গড়ে প্ৰায় ১৩ চে.মি এচলীয়া।
- অৱশ্যে ডিব্ৰুগড়ৰ ওচৰৰ ইয়াৰ ওপৰৰ অংশত প্ৰতি কিলোমিটাৰত প্ৰায় ১৭ চে.মি., ঢাল। আনহাতে একেই প্ৰতি কিলোমিটাৰত গুৱাহাটীৰ ওচৰত বা ইয়াৰ তলৰ অংশত এই ঢাল প্ৰায় ১০ চে.মি.।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



ব্রহ্মপুত্র উপত্যকা অঞ্চল

- সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাটো উত্তৰৰ পৰা দক্ষিণলৈ ৪টা সুকীয়া ভৌগোলিক এককত বিভক্ত হ'ব পাৰে —
  - উত্তৰ পাহাৰৰ পাদদেশ
  - উত্তৰ আৰু দক্ষিণ পাৰৰ সমভূমি
  - প্লাৱন ভূমি আৰু চৰ-চাপৰি
  - দক্ষিণৰ পাদদেশ।

উত্তৰৰ পাদদেশ —

- উত্তৰ পাদদেশে উপ-হিমালয়ৰ পর্বতমালাক সামৰি লৈছে।
- এইবোৰ মূলতঃ টার্চিয়েৰী বালি শিলৰ দ্বাৰা গঠিত।
- এই সংকীর্ণ অঞ্চলটোৰ উচ্চতা ১৫০ মিটাৰৰ পৰা ৬০০ মিটাৰলৈকে।
- ইয়াৰ পশ্চিম ফালে তুলনামূলকভাৱে বহল; আনহাতে শোণিতপুৰ, লখিমপুৰ আৰু ধেমাজি জিলাত ই পূব দিশলৈ কিছু ঠেক।

- এই পাদদেশৰ অঞ্চলটো সাধাৰণতে দক্ষিণ দিশলৈ ঢাল খোৱা।
- ইয়াত শংকু আকৃতিৰ কিছু ভূ-অবয়ৱ দেখা যায়। আৰ্দ্ৰ ভূমি বৈশিষ্ট্য হোৱাৰ উপৰিও এইবোৰ মূলতঃ বালি আৰু শিলৰ মিশ্ৰণেৰে গঠিত।
- এই অঞ্চলত সাধাৰণতে নদীৰ পানী তললৈ সোমাই যায়, যাৰ বাবে নৈবোৰত পানীৰ কোনো প্ৰবাহ দেখা নাযায়।

- কিন্তু, পানীৰ সোঁত কিছু দূৰৈৰ নামনিলৈ বৈ অহাৰ পাছত জলপ্ৰৱাহ পুনৰ আবির্ভাৱ হোৱা দেখা যায়, যিটো তাৰ পাছত সমভূমিলৈ বৈ যায়।
- ইয়াৰ দক্ষিণ অংশত মাটি ভিজা বাবেই নল-খাগৰি আদি ওখ ঘাঁহ জাতীয় উদ্ভিদ গজে।
- গতিকে, এই অঞ্চলে সংৰক্ষিত বনাঞ্চল আৰু বন্যপ্ৰাণী অভয়াৰণ্যৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



উত্তৰ আৰু দক্ষিণ পাৰৰ সমভূমি —

- ব্ৰহ্মপুত্ৰ সমতলত উত্তৰ পাৰৰ সমভূমি আৰু দক্ষিণ পাৰৰ সমভূমি দুয়োটাকে সামৰি লোৱা হৈছে।
- উত্তৰ পাৰৰ সমভূমি উত্তৰ পাদদেশৰ পৰা দক্ষিণে ব্ৰহ্মপুত্ৰ নদীলৈকে বিস্তৃত।
- দক্ষিণ পাৰৰ সমভূমি দক্ষিণ পাদদেশৰ পৰা উত্তৰ দিশত ব্ৰহ্মপুত্ৰ নদীলৈকে বিস্তৃত।

- উত্তৰ আৰু দক্ষিণ পাহাৰ/উচ্চভূমিৰ পৰা ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে কঢ়িয়াই অনা পলসৰ অৱক্ষেপণৰ ফলত সমগ্ৰ ব্ৰহ্মপুত্ৰ সমভূমি অঞ্চল গঠন হৈছে।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ প্ৰধান উপনৈসমূহ —

- সোৱণশিৰি, ৰঙানদী, বুৰে, বৰগাং, জিয়া ভৰালী, গাভৰু, বেলশিৰি, ধনশিৰি, নোৱা নদী, ন-নৈ, বৰনদী, পুঠিমাৰী, পাগলাদিয়া, মানাহ-আই-বেকী, চম্পাৱতী, গৌৰাংগ, টিপকাই আৰু গদাধৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ব্ৰহ্মপুত্ৰৰ প্ৰধান দক্ষিণ পাৰৰ উপনৈসমূহ —

- বুঢ়ী দিহিং, দিছাং, দিখৌ, জাঁজী, ভোগদৈ, ধনশ্ৰী, কপিলী, কুলশী, কৃষ্ণাই আৰু জিনাৰী।
- পলসুৱা মাটিৰে গঠিত উত্তৰ আৰু দক্ষিণ পাৰৰ সমভূমি কৃষিৰ বাবে উপযোগী।
- এই অঞ্চলটোৰ জনবসতি ঘন আৰু পৰিবহণ ব্যৱস্থা উন্নত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- উত্তৰ পাৰৰ সমভূমি তুলনামূলকভাৱে বহল আৰু নামনি অংশত গড়ে প্ৰায় ৩০ কিলোমিটাৰ বহল। উজনিৰ অংশত সংকীৰ্ণ আৰু গড় প্ৰস্থ প্ৰায় ১০ কিলোমিটাৰ।
- মেঘালয় মালভূমি সম্প্ৰসাৰণৰ বাবে কামৰূপ, গোৱালপাৰা আৰু ধুবুৰী জিলাত দক্ষিণ পাৰৰ সমভূমি মাত্ৰ প্ৰায় ৫ কিলোমিটাৰ বহল।

- কিন্তু, গুৱাহাটীৰ পূব দিশৰ পৰা কপিলী সমভূমিলৈকে এই সমভূমি বহল।
- পুনৰ কার্বি মালভূমিৰ উত্তৰ দিশৰ সম্প্ৰসাৰণৰ বাবে নগাঁও জিলা আৰু গোলাঘাট জিলাৰ পশ্চিম অংশত সমতলখন সংকীর্ণ হৈ পৰিছে।
- ই পুনৰ গোলাঘাট জিলাৰ পূব অংশৰ পৰা তিনিচুকীয়া জিলালৈকে যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ ফালে বহল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ধনশিৰি, দিখৌ, বুঢ়ী দিহিং, ডিব্রু আদি নদীৰ খহনীয়াৰ বাবেই দক্ষিণ পাৰৰ সমভূমি বহল হৈ পৰিছে।
- উত্তৰ পাৰৰ সমভূমিৰ দৰেই দক্ষিণ পাৰৰ সমভূমিও ঘন জনবসতিপূৰ্ণ।
- উৰ্বৰ মাটিৰ বাবে ই কৃষিৰ বাবে উপযোগী।
- ইয়াত পৰিবহণ ব্যৱস্থাও বিকশিত কৰা হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- উত্তৰ পাৰ আৰু দক্ষিণ পাৰৰ সমভূমিৰ মাজত অৱস্থিত, য'ত ব্ৰহ্মপুত্ৰ নদীৰ বাবে সঘনাই বানপানী হয়, সেই অঞ্চলটোক ব্ৰহ্মপুত্ৰৰ প্লাৱন ভূমি বুলি জনা যায়।
- প্লাৱন ভূমি প্ৰস্থ সকলো ঠাইতে সমান নহয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ব্ৰহ্মপুত্ৰ নদীৰ পাৰত ঠায়ে ঠায়ে অৱস্থিত টিলা আৰু তট বান্ধৰ বাবে ব্ৰহ্মপুত্ৰ নদীৰ প্লাৱন ভূমিৰ প্ৰস্থ কমি যায়।
- উত্তৰ পাৰৰ প্লাৱন ভূমি বিশেষকৈ ধেমাজি আৰু ববপেটা জিলাত কেইবাটাও জলাশয় আছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- দক্ষিণ পাৰৰ প্লাৱনভূমি তুলনামূলকভাৱে সংকীৰ্ণ।
- কিন্তু বুঢ়ী দিহিং, দিছাং, ধনশিৰি, কলং-কপিলী আৰু কুলশী নদীৰ সংগম অঞ্চলৰ ওচৰত বহল।



প্লাৱন ভূমি আৰু চৰ-চাপৰি —

- ব্ৰহ্মপুত্ৰ নদীৰ সৃতিবোৰক সামৰি ইয়াৰ মাজৰ চৰ-চাপৰি অঞ্চলটোক সংক্ৰিয় প্লাৱন ভূমি বুলি কোৱা হয়।
- ব্ৰহ্মপুত্ৰ নদীখন অসমত গড়ে প্ৰায় ৬ৰ পৰা ৮ কিলোমিটাৰ পৰ্যন্ত বহল।
- জল পৰিবহন আৰু গেদ পৰিবহনৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ নদী পৃথিৱীৰ ভিতৰতে লেখত ল'বলগীয়া।

- নদীখনৰ বিশালতা আৰু ইয়াৰ সক্রিয় খনন, পৰিবহণ আৰু অৱক্ষেপন প্রক্রিয়াই বাবে নদীখন স্বাভাৱিকতে অস্থিৰ।
- ইয়াৰ সূতিবোৰে সঘনাই নিজৰ গতিপথ সলনি কৰে।
- ব্রহ্মপুত্রৰ নদীয়ে কৰা গৰা খহনীয়া আৰু বানপানীৰ অসমৰ জলন্ত সমস্যা হিচাপে বিবেচিত হৈছে।

- ব্ৰহ্মপুত্ৰৰ বুকুত সৰু-বৰ আকাৰৰ ৬০০ৰো অধিক বালিৰ চৰ আছে।
- এই বালিচৰবোৰ কিছুমান স্থায়ী আৰু কিছুমান অৰ্ধস্থায়ী, আনহাতে বেছিভাগেই অস্থায়ী প্ৰকৃতিৰ।
- নদীৰ বুকুত চলি থকা খনন, পৰিবহণ আৰু অৱক্ষেপনৰ বাবে আৰু লগতে বানপানীৰ প্ৰভাৱৰ বাবে বালিচৰবোৰৰ আকাৰ, আকৃতি, আৰু স্থান সলনি হৈ থাকে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- মাজুলী নদী দ্বীপ ব্ৰহ্মপুত্ৰ বুকুত অৱস্থিত।
- ইয়াক বিশ্বৰ অন্যতম বৃহৎ নদী দ্বীপ হিচাপে জনা যায়।
- বৰ্তমান এই দ্বীপটোৱে প্ৰায় ৪২২ বৰ্গ কিলোমিটাৰ মাটিকালি জুৰি আছে। মুঠ জনসংখ্যা ১.৬৮ লাখ (২০১১ চনৰ লোকপিয়ল)।



- ২০১৬ চনত মাজুলীক অসমৰ জিলা হিচাপে ঘোষণা কৰা হয়।
- বানপানী আৰু গৰা খহনীয়াৰ সমস্যাই বিৰূপ প্ৰভাৱ পেলাইছে মাজুলীবাসীৰ জীৱনত।
- গৰা খহনীয়াৰ বাবে দ্বীপটোৰ ভূমিৰ পৰিমাণ বছৰৰ পিছত বছৰ ধৰি কমি আহিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দক্ষিণৰ পাদদেশ —

- ব্ৰহ্মপুত্ৰ উপত্যকাৰ দক্ষিণ পাদদেশৰ ভিতৰত আছে —
  - মেঘালয় মালভূমিৰ পাদদেশ, কার্বি মালভূমি, বৰাইল পর্বতৰ পাদদেশ আৰু পাটকাই-নগা পর্বতৰ পাদদেশ।
- অৰুণাচল পাহাৰ আৰু নগা পাহাৰৰ পাদদেশ অঞ্চল তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাৰ সীমান্তত অৱস্থিত।

- দক্ষিণৰ মেঘালয় মালভূমি আৰু অসমৰ সীমান্ত অঞ্চলৰ পাদদেশে গাৰো, খাচী আৰু জয়ন্তীয়া পাহাৰৰ নামনি অঞ্চল সামৰি লৈছে।
- কার্বি মালভূমিৰ উত্তৰ, পূব আৰু পশ্চিম প্রান্তৰ সীমাৰেখাত থকা নিম্ন পাহাৰীয়া অঞ্চলক কার্বি মালভূমিৰ পাদদেশ বুলি জনা যায়।
- আকৌ বৰাইল পর্বতৰ পাদদেশ ডিমা-হাছাও জিলাৰ উত্তৰ সীমাৰ কাষেৰে পাৰ হৈ গৈছে।

(খ) বৰাক উপত্যকা

- ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰে বৰাক উপত্যকাও অসমৰ এক গুৰুত্বপূৰ্ণ ভৌগোলিক অঞ্চল।
- বৰাক উপত্যকা অঞ্চল বৰাক সমভূমি আৰু ইয়াৰ কাষৰীয়া উত্তৰ আৰু দক্ষিণৰ পাদদেশেৰে গঠিত।

- বৰাক নদীখনে অসমত পূৱৰ পৰা পশ্চিমলৈ কাছাৰ জিলাৰ মাজেৰে আৰু হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাৰ উত্তৰ সীমায়েদি প্ৰায় ২২৫ কিলোমিটাৰ বৈ গৈছে।
- উত্তৰ আৰু দক্ষিণৰ উচ্চ অঞ্চলৰ পৰা বৰাক নদী আৰু ইয়াৰ উপনৈসমূহে কঢ়িয়াই অনা পলসৰ অৱক্ষেপনৰ ফলত বৰাক সমভূমিৰ সৃষ্টি হৈছে।

- এই সমভূমিক কাছাৰ সমভূমি বুলিও কোৱা হয়।
- ইয়াৰ উত্তৰ, দক্ষিণ আৰু পূব দিশত পর্বত-পাহাৰে আগুৰি আছে। উত্তৰে উত্তৰ কাছাৰ পার্বত্য জিলাৰ বৰাইল পর্বতৰাশি, আৰু মেঘালয় মালভূমি, পূৱে মণিপুৰ পাহাৰীয়া অঞ্চল আৰু দক্ষিণে মিজো পর্বত অৱস্থিত।
- কিন্তু পশ্চিমে ই বাংলাদেশৰ চিলেট জিলাৰ কুছিয়াৰা সুৰমা সমভূমিৰ সৈতে মিলিত হৈছে।



- বৰাক নদীৰ উত্তৰ পাৰৰ গুৰুত্বপূৰ্ণ উপনৈসমূহ হ'ল চিৰি, দিক্‌চা, দীঘলী, জিৰি, মধুৰা, জাতিংগা, লাৰাং আদি।
- দক্ষিণ পাৰৰ উপনৈসমূহ হ'ল সোণাই, ধলেশ্বৰী-কাটাখাল, চিংলা, লেংগাই অন্যতম।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(গ) কার্বি মালভূমি

- ইয়াৰ উৎপত্তি আৰু ভূতাত্ত্বিক গঠনৰ ওপৰত ভিত্তি কৰি কার্বি মালভূমিক মেঘালয় মালভূমিৰ এটা অংশ বুলি ক'ব পাৰি।
- কপিলী উপত্যকাই কার্বি মালভূমিক দুই ভাগত বিভক্ত কৰিছে —
  - পূব অংশ
  - পশ্চিম অংশ।

- ৰেংমা পাহাৰেৰে আবৃত পূব অংশটো কার্বি আংলং জিলাৰ সমগ্র ডিফু আৰু বোকাজান মহকুমাৰ ওপৰত বিস্তৃত হৈ আছে।
- ইয়াৰ আকাৰ পশ্চিম অংশৰ প্রায় দুগুণ।
- পশ্চিম অংশই জিলাখনৰ হামৰেণ মহকুমাক সামৰি লৈছে।
- এই অংশৰ গড় উচ্চতা ৯০০ মিটাৰ আৰু ই দক্ষিণ-পশ্চিমৰ পৰা উত্তৰ-পূবলৈ ঢাল খাইছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- কার্বি মালভূমিৰ এই অংশৰ ভূ-প্রকৃতি কপিলী আৰু বাৰাপানী নদী আৰু ইয়াৰ উপনৈসমূহৰ দ্বাৰা গঢ় লৈ উঠিছে।



কার্বি মালভূমিৰ অংশ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ঘ) বৰাইল আৰু দক্ষিণ পাহাৰ

- নাগালেণ্ডৰ ওপৰেৰে টুৱেনচাঙৰ পৰা পশ্চিম দিশলৈ বিস্তৃত বৰাইল পর্বতৰ একাংশ অসমৰ ডিমা-হাছাও জিলালৈ বিস্তৃত হৈ আছে।
- বৰাইল পর্বতে পূৱৰ নগা পর্বত আৰু পশ্চিমৰ মেঘালয় মালভূমিক সংযোগ কৰি ৰাখিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- এই পর্বতে উত্তৰ কাছাৰ পার্বত্য অঞ্চলকো দুই ভাগত বিভক্ত কৰিছে।
- উত্তৰ দিশৰ ঢালৰ অংশটো ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্তর্গত, আনহাতে দক্ষিণ দিশৰ ঢালৰ অংশটো বৰাক উপত্যকা ভিতৰত পৰে। দক্ষিণ ঢালৰ অংশতকৈ উত্তৰ দিশৰ ঢালযুক্ত অংশ তুলনামূলকভাৱে চাপৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



হাফলং চহৰৰ সৈতে বৰাইল পৰ্বতমালাৰ নান্দনিক ছবি।

মূল্যায়ন



১। অসমৰ ভূ-প্ৰকৃতিক প্ৰধানকৈ কেইটা ভাগত ভগাব পাৰি ?

(ক) চাৰিটা

(খ) তিনিটা

(গ) পাঁচটা

মূল্যায়ন



২। উত্তৰ পূৰ্বাঞ্চলৰ প্ৰৱেশদ্বাৰ হৈছে .....।

